## পাঠ-৯

# আমাৰ সামাজিক সমস্যা

আমি সকলোৱে সমাজ পাতি বাস কৰোঁ। সমাজৰ অবিহনে আমি থাকিব নোৱাৰোঁ। সেইবাবে আমি সমাজত কিছুমান নীতি-নিয়ম মানি একেলগে মিলিজুলি থাকোঁ। বিয়া-বাৰু, উৎসব, খেলা-ধূলা আদি সকলোবোৰ কাম লগে-ভাগে কৰি ভাল পাওঁ। যেতিয়াই ওচৰ-চুবুৰীয়াৰ কিবা অসুবিধা হয় আমি ইজনে-সিজনক সহায় কৰোঁ। নিজে বাস কৰা অঞ্চলটো বা সমাজখন নিয়াৰিকৈ চলি থাকিবৰ বাবে প্ৰত্যেক সদস্যই নিজ নিজ দায়িত্ব পালন কৰোঁ।

**সমাজ বুলিলে এনে এটা জনসমষ্টিক বুজায় য'ত প্ৰতিজন মানুহে এজনে আনজনৰ লগত পাৰস্পৰিক আদান-প্ৰদান, মিলা-প্ৰীতি, নিয়ম-শৃংখলাৰ মাজেদি চলি সকলো ব্যক্তিৰ উন্নতিৰ হকে নিজ নিজ কৰ্তব্য আৰু দায়িত্ব পালন কৰি যায়।**

পৰিয়াল, চুবুৰী, গাঁও আদি সমাজৰ একো একোটা গোট। এই সামাজিক গোটবোৰৰ মাজত যিমানেই মিলা-প্ৰীতি, সহযোগিতা আৰু বুজাবুজি ভাব বৃদ্ধি পাব। সিমানেই সামাজিক জীৱনৰ গাঁথনি দৃঢ় হ'ব। সমাজত বিভিন্ন নীতি-নিয়ম, সামাজিক প্ৰথা ইত্যাদিও থাকে।

**ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত নিয়াৰিকৈ কাম কৰি যাবলৈ কিছুমান নীতি-নিয়ম যুগ যুগ ধৰি চলি আহিছে। সময় আৰু পৰিৱেশৰ লগত সংগতি ৰাখি এইবোৰৰ কিছু সাল-সলনিও হয়। এইবোৰ নীতি-নিয়মকে সামাজিক প্ৰথা বোলে। যেনে— বিবাহ প্ৰথা, মৃতকক সৎকাৰ কৰা প্ৰথা, উৎসৱ পালন কৰা প্ৰথা ইত্যাদি।**

- তোমাৰ নিজৰ পৰিয়ালত পালন কৰা কেইটামান নীতি-নিয়ম উল্লেখ কৰা।
- তোমাৰ বিদ্যালয়ত থকা নিয়ম-নীতিবোৰ উল্লেখ কৰা।

**সমাজ আৰু সামাজিক জীৱনৰ লগত জড়িত এই প্ৰয়োজনীয় কথাখিনি আমি এখন গাঁৱৰ উদাহৰণেৰে বুজিবলৈ চেষ্টা কৰো আহাঁ—**

*"সপোনপুৰী" এখন আদৰ্শ গাঁও। ইয়াৰ পৰিয়ালসমূহ বৰ সুখী। এই গাঁৱত কেবাটাও ধৰ্ম, ভাষা-ভাষীৰ লোক আছে। গাঁৱৰ প্ৰতিটো পৰিয়াল আৰু চুবুৰীয়াৰ মাজত বৰ মিলা-প্ৰীতি। উচ্চ-নীচ, ধনী-দুখীয়াৰ কোনো ভেদভাব নাৰাখি পৰস্পৰে পৰস্পৰৰ কামত সহায় কৰে। উৎসৱ-পাৰ্বণত একেলগে অংশগ্ৰহণ কৰে আৰু প্ৰতি পৰিয়ালে নিজস্ব নীতি-নিয়মৰ মাজেৰে শৃংখলাবদ্ধভাৱে চলে। গাঁৱত থকা সংঘ, সমিতি, শিক্ষানুষ্ঠান, পঞ্চায়ত আদি অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে গাঁৱৰ উন্নতিত অৰিহণা যোগায়। বাল্য বিবাহ,যৌতুক প্ৰথা, মাদক দ্ৰব্য সেৱন আদিয়ে যাতে গাঁৱৰ একতা আৰু সংহতিত কু-প্ৰভাৱ পেলাব নোৱাৰে তাৰ প্ৰতিও গাঁৱৰ ৰাইজ সদায় সজাগ। গাঁৱৰ মানুহখিনিৰ মাজত কেতিয়াবা কোনো*



*কাৰণত মতবিৰোধ হ'লে গাঁৱৰ মুৰব্বীৰ আহ্বানত সকলোৱে আলোচনাত মিলিত হয় আৰু সমস্যাৰ সমাধান কৰে। এইদৰে সপোনপুৰী গাঁৱৰ সকলোৱে মিলা-প্ৰীতি, সহযোগিতা, সহানুভূতি, বন্ধুত্ব আৰু ভ্ৰাতৃত্বৰ মাজেৰে একতা বজাই ৰাখিবলৈ সক্ষম হৈ আহিছে। সেইকাৰণেই এই গাঁওখন এখন আদৰ্শ গাঁওৰূপে জনাজাত।*

**দলত আলোচনা কৰি কোৱা—**

- সপোনপুৰী গাঁওখনক কিয় আদৰ্শ গাঁও বুলি কোৱা হৈছে?





পৰিৱেশ প্ৰদূষণ　　দৰিদ্ৰতা

সকলো মানুহেই এক সুস্থ সামাজিক পৰিৱেশত থাকি ভাল পায়। কিন্তু বিভিন্ন কাৰণত কিছুমান কাৰকে আমাৰ সমাজ জীৱনত এনেকৈ প্ৰভাৱ পেলায় যে আমাৰ সমাজৰ পৰিৱেশ নষ্ট হয়। এনেদৰে আমাৰ সামাজিক জীৱনত কেতিয়াবা কিছুমান সমস্যাৰ সৃষ্টি হয়। ইয়াৰ ফলত আমি সমাজত নিয়াৰিকৈ কাম কৰি আগবাঢ়ি যোৱাত অসুবিধা পাওঁ। যেনে— যাতায়াতৰ সু-ব্যৱস্থাৰ অভাৱ, দৰিদ্ৰতা, অন্ধবিশ্বাস, নিৰক্ষৰতা, শিশু শ্ৰমিক আদি।

- ভগা-ছিগা বাট-পথৰ পৰা ৰাইজে কেনেধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব পাৰে?
- কিছুমান সমস্যা ৰাইজে সমূহীয়াভাৱে আলোচনা কৰি তাৰ সমাধানৰ উপায় উলিয়াব পাৰে। সিপিঠিৰ কথোপকথনখিনিৰ পৰা বুজি লওঁ আহা —

সপোনপুৰী গাঁৱৰ ৰাইজে নামঘৰৰ সন্মুখত গোট খাই আলোচনা কৰিছে।






- সপোনপুৰী গাঁৱৰ আলি-বাটটো ভাল কৰাৰ বাবে ৰাইজে কি সিদ্ধান্ত ল'লে?
- তোমাৰ অঞ্চলত সমূহীয়াভাৱে কৰা যিকোনো এটা কাম উল্লেখ কৰা।
- তোমাৰ অঞ্চলত সমূহীয়াভাৱে কি কি কাম কৰিব পাৰি? এখন তালিকা প্ৰস্তুত কৰা।

ৰাইজে একগোট হৈ কাম কৰিলে সমাজৰ বহু সমস্যাৰ সমাধান কৰিব পাৰি। সপোনপুৰী গাঁও ইয়াৰ উদাহৰণ। কিন্তু ৰাইজৰ সচেতনতা আৰু সহযোগিতা নহ'লে কোনো সমস্যাৰ সমাধান নহয়। "সপোনপুৰী" গাঁৱৰ দৰে মিলা-প্ৰীতি, সহযোগিতা, বুজা-বুজি আৰু ভাতৃত্বভাৱ সকলোতে পৰিলক্ষিত নহয়। এই মানৱীয় গুণবোৰৰ অভাৱতে বহুতো সমস্যাৰ সৃষ্টি হয়।

**আমাৰ সমাজত দেখা দিয়া কেইটামান জটিল সমস্যাৰ বিষয়ে জানি লওঁ আহা—**

**অন্ধবিশ্বাস—**

অন্ধবিশ্বাস হ'ল সমাজৰ এক শ্ৰেণী মানুহৰ কিছুমান ভুল ধাৰণা। কোনো বিষয় ভালদৰে পৰীক্ষা নকৰাকৈ আৰু চালি-জাৰি নোচোৱাকৈয়ে সঁচা বুলি বিশ্বাস কৰি লোৱাকে অন্ধবিশ্বাস বুলি কোৱা হয়। উদাহৰণস্বৰূপে— যাত্ৰাৰ সময়ত আগেৰে মেকুৰী পাৰ হৈ গ'লে অমংগলৰ চিন বুলি বিশ্বাস কৰে। কোনো কোনো লোকে 'ভূত' বিশ্বাস কৰে। ডাঙৰ গছত ভূতে বাহ লয় বা মাজনিশাৰ আন্ধাৰত ভূত ওলায় বুলি ভয় খায়। প্ৰকৃততে ই সঁচা নহয়। মানৱ সমাজৰ আটাইতকৈ অযুক্তিকৰ ধাৰণাবোৰৰ ভিতৰত অন্যতম হ'ল **ডাইনী বিশ্বাস**। কোনো পুৰুষ বা মহিলা সমাজৰ বাবে অমংগলীয়া বুলি ভাবে, তেওঁলোকৰ বাবেই সমাজত বেমাৰ-আজাৰ দুখ-দুৰ্গতি হোৱা বুলি সমাজৰ লোকসকলে ধাৰণা কৰি লয়। এনে পুৰুষ বা মহিলাক ডাইনী সজাই বহুলোকে লগ হৈ নিৰ্যাতন কৰি হত্যা কৰে। এনেধৰণৰ অন্ধবিশ্বাসৰ ফলত সমাজত এক ডাঙৰ সমস্যাৰ সৃষ্টি হয়।

সাধাৰণতে অৰ্থনৈতিকভাৱে পিছপৰা অঞ্চলৰ বা অশিক্ষিত লোকৰ মাজত এনে অন্ধবিশ্বাস দেখা যায়। অন্ধবিশ্বাসে যুক্তিসহকাৰে আৰু বৈজ্ঞানিক চিন্তাধাৰাৰে কথাবোৰ ফঁহিয়াই চোৱাত বাধা দিয়ে। তাৰ ফলত মানুহৰ মগজু আৰু বুদ্ধিৰ বিকাশ নহয়। এইদৰেই আমাৰ সমাজৰ প্ৰগতিত বাধাৰ সৃষ্টি হয়।

**কু-সংস্কাৰ —**



কিছুমান কু-সংস্কাৰ হ'ল— সাপে খুঁটিলে বেজ মাতি চিকিৎসা কৰা, কোনো বেমাৰ হ'লে বেজ মাতি মন্ত্ৰৰ দ্বাৰা জৰা-ফুকা কৰি বেমাৰ ভাল কৰিবলৈ চেষ্টা কৰা আদি। এনে ভুল ধাৰণাৰ বশৱৰ্তী হৈ মানুহে উপযুক্ত চিকিৎসা নাপাই অনাহকত মৃত্যুমুখত পৰিবলগীয়া হয়।

## লিংগ-বৈষম্য —



লিংগ-বৈষম্য মানে ল'ৰা-ছোৱালীৰ মাজত ভেদভাব ৰখা। কেতিয়াবা দেখা যায় যে অভিভাৱকে ছোৱালীজনীক ঘৰুৱা কামত লগায় আৰু ল'ৰাটোক বিদ্যালয়লৈ পঢ়িবলৈ পঠিয়ায়। এইদৰে ভেদভাব ৰাখি ল'ৰা-ছোৱালীক সমান সুবিধা দিয়া নহয়। অৱশ্যে আজিকালি বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা মৌলিক অধিকাৰ হোৱা হেতুকে ল'ৰা-ছোৱালী সকলোৱে সমান সুবিধা পাবলৈ সক্ষম হৈছে। আগৰ দিনত ল'ৰা-ছোৱালীৰ মাজত সমাজত কিছু ভিন্নতা আছিল যদিও বৰ্তমান ল'ৰা-ছোৱালীৰ মাজৰ বৈষম্যবোৰ কমি আহিছে। শিক্ষা, চাকৰি আদিত ল'ৰা-ছোৱালীৰ সম অধিকাৰ আছে। ইয়াৰ উপৰি আমাৰ দেশত ৰাজনীতি, সমাজনীতি আদি সকলো ক্ষেত্ৰত পুৰুষৰ লগতে মহিলাকো সম অধিকাৰ দিয়া হৈছে।

## শিশু-শ্ৰমিক —



পৰিয়ালৰ আৰ্থিক অনাটনৰ ফল হিচাপে অঞ্চলভেদে শিশু সকলে শ্ৰমিক হিচাপে কাম কৰি জীৱিকাৰ উপায় উলিওৱাৰ লগতে নিজৰ পৰিয়ালকো আৰ্থিকভাৱে সহায় কৰে। এই ফুলকুমলীয়া শিশুসকলে ঘাইকৈ ইটা-ভাটা, কয়লা খনি, ৰাস্তা-ঘাটৰ শিল-বালি কঢ়িওৱা কাম, হোটেল ৰেঁষ্টোৰা ইত্যাদিত শ্ৰমিক হিচাপে কাম কৰে। ইয়াৰ ফলত তেওঁলোকে শিক্ষা লাভৰ পৰা বঞ্চিত হয়। খেলা-ধূলা কৰি ভাল পোৱা শৈশৱৰ দিনবোৰত তেওঁলোকে কঠোৰ শ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হয়।

## যৌতুক প্ৰথা —

বিয়াৰ সময়ত কইনাৰ লগত দিয়া বয়-বস্তুকেই যৌতুক বোলা হয়। পিতৃ-মাতৃ বা অভিভাৱকে ছোৱালী এজনীক নতুন ঘৰ এখনত একো অসুবিধাৰ সন্মুখীন নোহোৱাকৈ চলি যাবৰ বাবে কিছুমান প্ৰয়োজনীয় বয়-বস্তু যৌতুক হিচাপে লগত দি পঠিয়ায়। ই এটা সামাজিক প্ৰথা। অতীতৰ পৰা সমাজত যৌতুক প্ৰথা চলি আহিছে যদিও ই কোনো সামাজিক সমস্যা হোৱা নাছিল। কিন্তু কেতিয়াবা দৰা ঘৰৰ পৰা অধিক যৌতুক দাবী কৰা দেখা যায় আৰু সেইমতে দিব নোৱাৰিলে বিবাহৰ পাছত ছোৱালীয়ে অশেষ নিৰ্যাতন ভোগ কৰিবলগীয়া হয়। সমাজৰ সকলো লোকেই এই প্ৰথাৰ বিৰূপ ফলৰ প্ৰতি সজাগ হ'ব লাগিব। ছোৱালীয়ে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ আত্মনিৰ্ভৰশীল হ'লেও এই প্ৰথা সমাজৰ পৰা নিৰ্মূল হ'ব।



## নিৰক্ষৰতা —

সাধাৰণতে লিখা-পঢ়া নজনা লোকক নিৰক্ষৰ লোক বোলে। নিৰক্ষৰ লোকে পঢ়া-শুনা নজনাৰ বাবে কিতাপ পত্ৰ, বাতৰি কাকত আদি পঢ়াৰ পৰা বঞ্চিত হৈ বহু কথা জনাৰ পৰা বিৰত থাকিবলগীয়া হয়। কোনো কোনো ক্ষেত্ৰত নিৰক্ষৰ হোৱাৰ বাবে ঠগ-প্ৰবঞ্চনাৰ বলি হ'বলগীয়াত পৰে।

**মানুহৰ মাজত ভেদা-ভেদ, উচ্চ-নীচ ভাব, আন্তৰিকতাৰ অভাৱ, বিশ্বাসহীনতা আদিয়ে সামাজিক সমস্যাৰ সৃষ্টিত অৰিহণা যোগায়।**

সমাজ থাকিলে সমস্যা থাকিবই। এই সমস্যাসমূহ শান্তিপূৰ্ণভাৱে সমাধান কৰাতহে আমি যত্নপৰ হোৱা উচিত। সমস্যাসমূহ দীৰ্ঘ দিনলৈ বৰ্তি থাকিলে সমাজত অশান্তিৰ সৃষ্টি হয়। এইবোৰ দূৰ কৰিব পাৰিলেহে আমাৰ সামাজিক জীৱন সুন্দৰ হ'ব। ৰাইজৰ মাজত থকা সচেতনতা, সহযোগিতা, পাৰস্পৰিক বুজা-বুজি, আন্তৰিকতা, বিশ্বাস, এৰা-ধৰাৰ মনোভাব আদি মানৱীয় গুণবোৰে সমাজত একতা গঢ়ি তোলাত সহায় কৰে। আমাৰ সামাজিক সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত এইবোৰ অপৰিহাৰ্য কাৰক হিচাপে অৰিহণা যোগাব পাৰে। আনহাতে নিৰক্ষৰতা, শিশু শ্ৰমিক আদি এনে কিছুমান সামাজিক সমস্যা আছে যিবোৰ আমি সমাধান কৰিব নোৱাৰোঁ। চৰকাৰী আইন, স্বেচ্ছাসেৱী অনুষ্ঠান আদিৰ সহায়ত এনে সামাজিক সমস্যাসমূহ সমাধান কৰিব পাৰি।



বৰ্তমান শিশু শ্ৰমিকৰ বাবে চৰকাৰে 'শিশু শ্ৰমিক আইন' কৰি শিশুক শ্ৰমিক হিচাপে কামত লগোৱা বন্ধ কৰিছে। তেওঁলোকৰ বাবে বিশেষ বিদ্যালয় প্ৰতিষ্ঠা কৰিছে। সেইদৰে নিৰক্ষৰতা দূৰীকৰণৰ বাবে দেশত শিক্ষাৰ অধিকাৰ আইন —২০০৯, প্ৰৱৰ্তন কৰি সৰ্বশিক্ষা অভিযান মিছনৰ দ্বাৰা ৬-১৪ বছৰীয়া শিশুৰ বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা হৈছে।



বাটৰ নাট

ইয়াৰ উপৰি বিভিন্ন গণ মাধ্যম, যেনে— টি.ভি., ৰেডিঅ', প্ৰচাৰ পত্ৰিকা, বাতৰি কাকত, বাটৰ নাট, পোষ্টাৰ আদিৰ যোগেদিও ৰাইজৰ মাজত সজাগতা আনি সমস্যাবোৰ নিৰ্মূল কৰাত অৰিহণা যোগাব পাৰি। গাঁও পঞ্চায়ত আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহে এই সমস্যাবোৰৰ সমাধানত সহায় কৰিব পাৰে।

সামাজিক জীৱন সুখৰ আৰু উন্নত কৰাৰ ক্ষেত্ৰত আমাৰ প্ৰত্যেকৰে কিছুমান কৰ্তব্য আছে। আমি সকলোৱে মিলি একগোট হৈ হিংসা, দ্বেষ, ভেদা-ভেদ পৰিহাৰ কৰি এখন নিকা সমাজ গঢ়ি তুলিব পাৰোঁ।

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) সামাজিক সমস্যা বুলিলে কি বুজা?

(খ) সমাজত একতা গঢ়ি তোলাত কোনবোৰ গুণৰ প্ৰয়োজন হয়?

(গ) সামাজিক সমস্যাবোৰ কি কি?

(ঘ) সামাজিক সমস্যা সৃষ্টিত কোনবোৰ কাৰকে অৰিহণা যোগায়?

২। খালী ঠাই পূৰ কৰা—

(ক) আমি সকলোৱে ________ পাতি বাস কৰোঁ।

(খ) ________ হ'ল সমাজৰ এক শ্ৰেণী মানুহৰ এক ভুল ধাৰণা।

(গ) সমস্যা দীৰ্ঘদিনলৈ বৰ্তি থাকিলে সমাজত ________ সৃষ্টি হয়

(ঘ) ৰাইজৰ সচেতনতা আৰু ________ নহ'লে কোনো সমস্যা সমাধান নহয়।

(ঙ) লিখা-পঢ়া নজনা লোককে ________ লোক বোলে।

৩। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| অন্ধবিশ্বাসত কোনো | শিশু শ্ৰমিকৰ সৃষ্টি হয়। |
| পৰিয়ালৰ আৰ্থিক অনাটনৰ বাবে | ডাইনী বিশ্বাস। |
| অন্ধবিশ্বাস, লিংগ-বৈষম্য, শিশু-শ্ৰমিক আদি | সামাজিক সমস্যা। |
| মানৱ সমাজৰ আটাইতকৈ অযুক্তিকৰ ধাৰণা | বৈজ্ঞানিক ভিত্তি নাই। |

৪। অশুদ্ধ বাক্যবোৰ শুদ্ধকৈ লিখা—

(ক) গাঁও পঞ্চায়ত আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহে সামাজিক সমস্যাবোৰ সমাধানত সহায় কৰিব পাৰে।

(খ) কু-সংস্কাৰৰ পৰা সমাজৰ ক্ষতি হয়।

(গ) লিংগ-বৈষম্য হ'ল সমাজৰ এটা সমস্যা।

(ঘ) নিৰক্ষৰতাই সমাজৰ পৰা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ দূৰ কৰিব পাৰে।

(ঙ) টকা পইচাৰ অভাৱ হ'লে ল'ৰা-ছোৱালীবোৰক শ্ৰমিক সজাই উপাৰ্জন কৰিবলৈ দিব লাগে।

৫। চমুটোকা লিখা —

(ক) অন্ধবিশ্বাস (খ) কু-সংস্কাৰ (গ) যৌতুক

৬। সামাজিক সমস্যা সমাধানত একতাৰ ভূমিকা কি লিখা।

♠♠♠♠♠